**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-11-2024
**Time :** 2125 Hrs

***Assamese Night Bulletin***
**----------------------**

সান্ধ্য আইনৰ কৱলত থকা মণিপুৰৰ পৰিস্থিতি বৰ্তমান নিয়ন্ত্ৰণত আছে যদিও ভিতৰি ভিতৰি উত্তেজনা অব্যাহত আছে। যোৱা সপ্তাহত উগ্ৰপন্থীয়ে অপহৰণ কৰা ছজন লোকৰ পাঁচজনৰ মৃতদেহ উদ্ধাৰৰ পাছত জিৰিবামত কালি ব্যাপক প্ৰতিবাদৰ সৃষ্টি হয়। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে নিৰাপত্তা বাহিনীয়ে গুলীচালনা কৰাত এজন প্ৰতিবাদকাৰী আহত হয়। নিশাৰ ভাগত সশস্ত্ৰ দুষ্কৃতিকাৰীয়ে জিৰিবামৰ কংগ্ৰেছ আৰু বিজেপি দুয়ো দলৰে জিলা কাৰ্যালয় দুটাত অগ্নি সংযোগ কৰে। মণিপুৰত বাহৰ পাতি থকা কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ সঞ্চালকপ্ৰধান অনিছ দয়াল সিঙে আজি ইম্ফলত আৰক্ষী আৰু নিৰাপত্তা বাহিনীৰ মুৰববীসকলৰ সৈতে পৰিস্থিতিৰ পৰ্যালোচনা কৰে।

০০০০০

মৃত্যুঞ্জয় ১০৮ এম্বুলেন্স সেৱাই ৰাজ্যত ১৭ বছৰ অতিক্ৰম কৰিলে। ৰোগীৰ জৰুৰীকালীন অৱস্থাত পূৰ্ণ সহায়ৰ লক্ষ্যৰে ১০৮ এম্বুলেন্স সেৱাই এতিয়ালৈ ৬৬ লাখৰো অধিক জৰুৰীকালীন সেৱা আগবঢ়োৱাৰ লগতে ২ লাখৰো অধিক ৰোগীৰ প্ৰাণ ৰক্ষা কৰাত সফল সহযোগিতা আগবঢ়াইছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মৃত্যুঞ্জয় সেৱাৰ ১৭ বছৰ সম্পূৰ্ণ হোৱাৰ কথা উল্লেখ কৰি ৰাজ্যৰ স্বাস্থ্যখণ্ডৰ উত্তোৰণৰ ক্ষেত্ৰত জনসাধাৰণৰ সঁহাৰিৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে। উল্লেখযোগে যে ৰাজ্যত সম্প্ৰতি ৭ খন পানীত চলা এম্বুলেন্সসহ ৮০০ৰো অধিক এম্বুলেন্স সেৱাই আগবঢ়াই আছে।

০০০০০

চিৰাং জিলাত জলজীৱন মিছন আঁচনিৰ সঠিক ৰূপায়ণ তথা জনসাধাৰণে এই আঁচনিৰ অধীনত বিশুদ্ধ খোৱাপানী যোগান লাভ কৰিছে নে নাই চোৱাৰ বাবে আজি কেন্দ্ৰীয় চৰকাৰৰ এটা দলে জিলাখন ভ্ৰমণ কৰে। চিৰাং জিলাৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কোকৰাঝাৰ সংমণ্ডলৰ অধীনত ৰূপায়ণ হোৱা ৬ খন জলজীৱন আঁচনি পৰ্যবেক্ষণৰ বাবে মাদ্ৰাছ আই আই টিৰ দুজনীয়া কাৰিকৰী নিৰীক্ষকৰ দলে জিলাখনৰ আঁচনিসমূহ পৰ্যবেক্ষণ কৰে। তেওঁলোকে গঞা ৰাইজৰ সৈতে মত বিনিময় কৰাৰ লগতে এই আঁচনিৰ জৰিয়তে জনসাধাৰণ কেনেধৰণে উপকৃত হৈছে সেই সম্পৰ্কেও পৰ্যবেক্ষণ কৰে। সম্প্ৰতি জিলাখনত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অধীনত জলজীৱন মিছনৰ মুঠ ৫১৩ খন আঁচনি ৰূপায়ণ হৈ আছে।

০০০০০

শোণিতপুৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত আজি কুষ্ঠৰোগ চিনাক্তকৰণ অভিযানৰ বাবে জিলা সমন্বয় সমিতিৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। অতিৰিক্ত জিলা আয়ুক্তই এই বৈঠকত আদৰণি ভাষণ আগবঢ়োৱাৰ লগতে নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত অভিযান সফল কৰিবলৈ অংশীদাৰসকলৰ মাজত সমন্বয় স্থাপন কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। শোণিতপুৰৰ মাণ্ডলিক কুষ্ঠৰোগ বিষয়া ডাঃ টি বি ছেত্ৰীয়ে জিলাখনত অহা ২ ডিচেম্বৰৰ পৰা ১৬ ডিচেম্বৰলৈ চলিবলগীয়া ১৪ দিনীয়া কাৰ্য বিৱৰণী বৈঠকত দাঙি ধৰে।

তেওঁ কয়, যে স্বাস্থ্যকৰ্মীৰে গঠিত দলৰ লোকসকলে ঘৰে ঘৰে গৈ দুবছৰৰ ওপৰৰ প্ৰতিজন ব্যক্তিৰে পৰীক্ষা নিশ্চিত কৰিব। তেওঁ লগতে কুষ্ঠৰোগ চিনাক্তকৰণৰ বাবে ব্যৱহাৰ কৰা কৌশলসমূহো বৰ্ণনা কৰে। জিলাখনৰ স্বাস্থ্যসেৱা যুটীয়া সঞ্চালকেও এই অভিযানত প্ৰতিজন লোকৰ পৰীক্ষা নিশ্চিত কৰিবলৈ গুৰুত্ব প্ৰদান কৰে।

00000

অসম সংখ্যালঘু উন্নয়নৰ পৰিষদৰ অৰ্থ সাহায্যৰে আজি শিৱসাগৰৰ চাৰিগৰাকী আৰ্থিকভাৱে দুৰ্বল ব্যক্তিক ৪ খন বেটাৰী ই-ৰিক্সা প্ৰদান কৰা হয়। ৰাজ্যৰ শিক্ষামন্ত্ৰী তথা শিৱসাগৰ জিলাৰ অভিভাৱক মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি সন্ধিয়া শিৱসাগৰ নগৰৰ আৱৰ্তভৱনত অনুষ্ঠিত অনুষ্ঠানত বেটাৰী ই-ৰিক্সা লাভ কৰা হিতাধিকাৰীসকলক আনুষ্ঠানিকভাৱে ৰিক্সাৰ চাবি বিতৰণ কৰে।

000000

অসম আৰক্ষীৰ ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি পৰিষদে অসম কমাণ্ড বেটেলিয়নৰ ১৬৪টা কনিষ্টবল পদৰ পৰীক্ষাৰ প্ৰৱেশ পত্ৰসমূহ আজিৰ পৰা প্ৰাৰ্থীসকলে www.slprbassam.in ৱেবছাইটযোগে নিজৰ প্ৰৱেশ পত্ৰ ডাউনলোড কৰিব পাৰিব। কনিষ্টবল পদৰ বাবে অহা ২৫ নৱেম্বৰৰ পৰা শাৰীৰিক সক্ষমতা পৰীক্ষা অনুষ্ঠিত হ'ব বুলি আৰক্ষী নিযুক্তি পৰিষদৰ এখন বিজ্ঞপ্তিত কোৱা হৈছে।

00000

মৰিগাঁও জিলাৰ ভুৰবন্ধা নৱজ্যোতি সংঘৰ খেলপথাৰত আজি দিনজোৱা কাৰ্যসূচীৰে খেল মহাৰণৰ দ্বিতীয় সংস্কৰণ অনুষ্ঠিত হয়। এই সংস্কৰণত প্ৰাথমিক পৰ্যায়ৰ লগতে পঞ্চায়ত ভিত্তিত ভুৰবন্ধা পঞ্চায়তৰ অন্তৰ্গত খেলুৱৈসকলৰ মাজত খেলসমূহ অনুষ্ঠিত হয়। পুৱা ৯ বজাৰ পৰা অনুষ্ঠিত প্ৰতিযোগিতাত প্ৰায় ৫ শতাধিক খেলুৱৈয়ে অংশগ্ৰহণ কৰে। এই প্ৰতিযোগিতাত চাইক্লিং, দৌৰ, ফুটবল, কাবাডী আদি বিভিন্ন ধৰণৰ ক্ৰীড়া প্ৰতিযোগিতাসমূহ অনুষ্ঠিত হয়।

00000

যোৰহাট জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত আজি অনুষ্ঠিত হোৱা এ-ডিভিজন ফুটবল লীগ প্ৰতিযোগিতাত ৰোৱাড ক্লাবে কাকজান এফ চিক ২-১ গলত পৰাভূত কৰি সম্পূৰ্ণ পইণ্ট লাভ কৰিবলৈ সমৰ্থ হয়। প্ৰতিযোগিতাত কাইলৈ মৰিয়নি উপ-ক্ৰীড়া সন্থাৰ বিৰুদ্ধে উত্তৰ-পশ্চিম উপ-ক্ৰীড়া সন্থা মুখামুখি হ'ব।

00000

ওমানৰ মাছকটত অহা ২৬ নৱেম্বৰৰ পৰা অনুষ্ঠিত হ'বলগীয়া পুৰুষৰ জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাৰ বাবে ২০ জনীয়া দলটো ঘোষণা কৰা হৈছে। এই প্ৰতিযোগিতাৰ জৰিয়তে ২০২৫ চনত হ'বলগীয়া এফ আই এইচ হকী জুনিয়ৰ বিশ্বকাপৰ বাবে যোগ্যতা নিৰ্ণয় কৰা হ'ব। ভাৰতে এতিয়ালৈকে এই প্ৰতিযোগিতাত অভিলেখসংখ্যক ৪ বাৰ চূড়ান্ত বিজয়ীৰ খিতাপ দখল কৰিছে। এই প্ৰতিযোগিতাত ১০ খন ৰাষ্ট্ৰই অংশগ্ৰহণ কৰিছে। ভাৰতৰ লগতে চীনা টাইপে, জাপান, কোৰিয়া আৰু থাইলেণ্ডক পুল-এত অন্তৰ্ভুক্ত কৰাৰ লগতে বাংলাদেশ, মালয়েছিয়া, চীন, ওমান আৰু পাকিস্তানক পুল-বিত অন্তৰ্ভুক্ত কৰা হৈছে। ভাৰতীয় হকী দলটোক আমিৰ আলীয়ে নেতৃত্ব দিয়াৰ লগতে প্ৰিন্সদীপ সিং আৰু বিক্ৰমজিৎ সিঙক গ'লকীপাৰ হিচাপে দলটোত অন্তৰ্ভুক্ত কৰা হৈছে।

00000

সমাপ্ত